**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-12-2024
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভূটানৰ ১১৭ সংখ্যক ৰাষ্ট্ৰীয় দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। সপত্নীক দেশখনত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই উপলক্ষে ৰজা জিগমে খেছাৰ নামগিয়াল ৱাংচুক আৰু ভূটানৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে ভাৰত আৰু ভূটান সভ্যতা কেন্দ্ৰিক সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কৰে বান্ধ খাই আছে। অনাগত সময়ত দুয়ো দেশে পাৰস্পৰিক সহযোগিতা বৰ্তাই ৰাখি উন্নয়নৰ শিখৰত উপনীত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে ভূটানে পাৰিপাৰ্শ্বিকতাক সকলো নীতিগত সিদ্ধান্তৰ আধাৰ হিচাপে ৰাখি উন্নয়নমূলক প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি আশা প্ৰকাশ কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে চাৰিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে কালি থিম্ফুত উপস্থিত হোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে দেশখনত অনুষ্ঠিত এডভাণ্টেজ আছামৰ ৰোড শ্ব'ত অংশ লৈ ভূটানৰ প্ৰধানমন্ত্ৰী দাছ' শ্বেৰিং টবগে আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলক এডভাণ্টেজ আছাম সন্মিলন ২০২৫ৰ বাবে আমন্ত্ৰণ জনায়। এই ভ্ৰমণকালত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ কোকৰাঝাৰৰ পৰা ভূটানৰ গেলেফুলৈ প্ৰস্তাৱিত ৰে'ল পথ নিৰ্মাণ সম্পৰ্কেও দেশখনৰ নেতৃবৰ্গৰ সৈতে আলোচনা কৰাৰ লগতে অসম তথা ভাৰতৰ সৈতে ভূটানৰ সম্পৰ্ক উন্নত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে দেশখনৰ ৰজা আৰু প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে আলোচনাত মিলিত হোৱাৰ কথা। তদুপৰি ভূটানৰ পৰা নামি অহা নৈসমূহৰ পৰা অসমত সৃষ্টি হোৱা বান পৰিস্থিতি নিয়ন্ত্ৰণ সন্দৰ্ভতো মুখ্যমন্ত্ৰীয়ে আলোচনা কৰাৰ সম্ভাৱনা আছে।

০০০০০০

লোকসভাত আজি **এখন দেশ, এটা নিৰ্বাচন** সম্পৰ্কীয় দুখন বিধেয়ক উত্থাপন কৰা হ'ব। কেন্দ্ৰীয় আইনমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে সংবিধানৰ ১২৯ সংখ্যক সংশোধনী আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ আইন সংশোধনী সন্দৰ্ভত দুখন বিধেয়ক আজি নিম্ন সদনত উত্থাপন কৰিব। বিধেয়কখন আইনত পৰিণত হ'লে ইয়াক দুটা পৰ্যায়ত কাৰ্যকৰী কৰা হ'ব। প্ৰথম পৰ্যায়ত লোকভা আৰু বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত কৰাৰ লগতে পঞ্চায়তৰ দৰে স্থানীয় সংস্থাৰ নিৰ্বাচনসমূহ সাধাৰণ নিৰ্বাচনৰ ১০০ দিনৰ ভিতৰত সম্পন্ন কৰা হ'ব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে আজি নতুন দিল্লীত সাংবাদিকৰ আগত এই বিধেয়ক সন্দৰ্ভত কয়, যে বিধেয়কখনে সমগ্ৰ দেশকে উপকৃত কৰিব। বিৰোধীপক্ষই এই বিধেয়কৰ বিৰুদ্ধে কোনো শক্তিশালী যুক্তি উত্থাপন কৰিব পৰা নাই। দেশে স্বাধীনতা লাভ কৰাৰ পাছৰ দুটা দশকলৈ ভাৰতত একেলগে নিৰ্বাচন অনুষ্ঠিত হৈছিল বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

অসমীয়া চলচ্চিত্ৰৰ প্ৰথমগৰাকী নায়িকা আইদেউ সন্দিকৈৰ পূণ্য তিথি উপলক্ষে আজি শ্ৰদ্ধা নিবেদন কৰা হৈছে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰা প্ৰথম অসমীয়া চলচ্চিত্ৰ জয়মতীৰ নাম ভূমিকাত অভিনয় কৰা এই শিল্পীগৰাকীয়ে ৰক্ষণশীল সমাজৰ অবিচাৰৰ সন্মুখীন হ'বলগীয়া হৈছিল। মুখ্যমন্ত্ৰী

ড০ হিমন্ত বিশ্ব শৰ্মাই আজি আইদেউ সন্দিকৈৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰি দিয়া বাৰ্তাত কয়, যে অসমীয়া চলচ্চিত্ৰত নাৰী চৰিত্ৰৰ অভিনয়ৰ বাট মুকলি কৰা অভিনেত্ৰীগৰাকীৰ ত্যাগ সদায় স্মৰণীয় হৈ ৰ'ব। তেওঁৰ আদৰ্শ তথা অৱদানক জীয়াই ৰাখিবলৈ অসম চৰকাৰ দায়বদ্ধ বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই উপলক্ষে দিয়া এটা বাৰ্তাত অসমীয়া চলচ্চিত্ৰৰ সোণসেৰীয়া যাত্ৰাত নাৰীৰ অৱদানৰ ক্ষেত্ৰত আইদেউ সন্দিকৈৰ নাম প্ৰাতঃস্মৰণীয় হৈ থাকিব বুলি মন্তব্য কৰে।

০০০০০০

হাইলাকান্দি জিলাৰ পাচগ্ৰামত আৰক্ষীয়ে যোৱানিশা অভিযান চলাই বুজন পৰিমাণৰ মাদকদ্ৰব্য জব্দ কৰাৰ লগতে ৪টা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে পাচগ্ৰাম থানাৰ অন্তৰ্গত ঠাণ্ডাপুৰ অঞ্চলত চলোৱা অভিযানত এখন যাত্ৰীবাহী বাহনৰ পৰা প্ৰায় ১২০ গ্ৰাম হেৰ'ইন আৰু বুজন পৰিমাণৰ ভাং জব্দ কৰে। জব্দ কৰা সামগ্ৰীখিনিৰ বজাৰ মূল্য প্ৰায় ১০ লাখ টকা হ'ব বুলি আৰক্ষীয়ে অনুমান কৰিছে।

দক্ষিণ শালমাৰা মানকাচৰ আৰক্ষীয়ে কালি অভিযান চলাই মাদকদ্ৰব্যসহ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাত কৰে। আৰক্ষীয়ে ২৩টা টেমাট ভৰ্তি হেৰ'ইনৰ লগতে নগদ ৬৭ হাজাৰ টকা জব্দ কৰে। আৰক্ষীয়ে ধৃত লোক দুজনৰ জেৰা অব্যাহত ৰাখিছে।

০০০০০০

যোৰহাটৰ অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উপ-পৰিদৰ্শক সীমান্ত শৰ্মাৰ উদ্যোগত আৰু জিলা আয়ুক্ত জয় শিৱানীৰ পৃষ্ঠপোষকতাত কালিৰে পৰা দহদিনীয়া কাৰ্যসূচীৰে ভোগদৈ নৈ পৰিষ্কাৰকৰণৰ অভিলাসী পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিভাগটোৰ প্ৰশিক্ষণপ্ৰাপ্ত এটা ৪০ জনীয়া দলে নদীৰ বালি তথা বোকাৰ লগত মিহলি হৈ থকা বিভিন্ন পলিথিন আৰু আৱৰ্জনা তুলি নৈখন পৰিষ্কাৰকৰণত নামি পৰিছে। জিলাখনৰ পূজাডুবি ঘাটত কালি যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে এই পদক্ষেপ আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত বিধায়কগৰাকীয়ে বিভাগটোৰ এই পদক্ষেপৰ শলাগ লোৱাৰ লগতে প্ৰয়োজন অনুসৰি সহায়ৰ হাত আগবঢ়োৱাৰো প্ৰতিশ্ৰুতি দিয়ে। উল্লেখযোগ্য যে আহোমৰ ৰাজধানী ১৭৯৪ চনত যোৰহাটলৈ স্থানান্তৰ কৰাৰ পাছত মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ পৰিকল্পনা অনুসৰি নগা পাহাৰৰ ওলোৱা নৈখন খান্দি যোৰহাট নগৰৰ মাজেৰে বোৱাই অনা হৈছিল।

০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ তৃতীয়খন টেষ্ট খেলৰ চতুৰ্থ দিনা আজি ভাৰতে প্ৰথম ইনিংছত আমালৈ অহা শেহতীয়া বাতৰি পৰ্যন্ত ৭টা উইকেট হেৰুৱাই ২০১ ৰান সংগ্ৰহ কৰিছে। ফল'অনৰ পৰা হাত সাৰিবলৈ ভাৰতক আৰু ৪৫ ৰানৰ প্ৰয়োজন।

ইয়াৰ পূৰ্বে কালি ঘৰুৱা দলটোৱে প্ৰথম ইনিংছত ৪৪৫ ৰান সংগ্ৰহ কৰি আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ৬টা, মহম্মদ ছিৰাজে দুটা আৰু নীতিশ ৰেড্ডী আৰু আকাশদ্বীপে এটাকৈ উইকেট দখল কৰে।

পাঁচখন খেলৰ শৃংখলাটোত দুয়োটা দলে ইতিমধ্যে এখনকৈ খেলত জয় লাভ কৰিছে।

০০০০০০

যোৰহাট জিলাৰ ৰজামৈদাম নিউ কলনীৰ বাসিন্দা পুতুল চন্দ্ৰ বৰাৰ কালি সন্ধিয়া যোৰহাট চিকিৎসা মহাবিদ্যালয়ত হৃদৰোগজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৮ বছৰ। যোৰহাটৰ

উপায়ুক্ত কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী শ্ৰী বৰাৰ মৃত্যুত উপায়ুক্ত কাৰ্যালয়কে ধৰি স্থানীয় অনুষ্ঠানসমূহে সমবেদনা জ্ঞাপন কৰে।

০০০০০০

সমাপ্ত